no 161 to 180

**অসম বিধান সভা**

**তৰাচিহ্নিত প্ৰশ্ন নং - ১৬১**

**উত্তৰ দিয়াৰ তাৰিখ - ২৭.০২.২০১৭**

বিষয়ঃ সমাজ কল্যাণ বিভাগত বিয়াগোম কেলেংকাৰী সম্পৰ্কত।

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : বিধায়ক

**মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) ২০০১ চনৰ পৰা ২০১৬ চনৰ ভিতৰত সমাজ কল্যাণ বিভাগত ২০০০ কোটি টকীয়া বিয়াগোম কেলেংকাৰী হোৱা বুলি উঠা অভিযোগটো সত্যনে ?

(খ) সমাজ কল্যাণ বিভাগৰ কি কি আচঁনিত এই বৃহৎ কেলেংকাৰী সংঘটিত হৈছিল ?

(গ) এই বৃহৎ কেলেংকাৰী সম্পৰ্কত চৰকাৰে বৰ্তমানলৈকে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(ঘ) যি সকল বিষয়া- কৰ্মচাৰী এই বিয়াগোম কেলেংকাৰীৰ লগত জড়িত বুলি সন্দেহ কৰা হৈছে সেই সকলৰ ওপৰত চৰকাৰে কি শাস্তি মূলক ব্যৱস্থা গ্ৰহণ কৰিছে ?

**উত্তৰ -**

**মাননীয় সমাজ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী শ্ৰী নব কুমাৰ দলে মহোদয়ে উত্তৰ দিব -**

(ক) এই বিষয়টো অসম চৰকাৰৰ তদাৰক আৰু দুৰ্নীতি নিবাৰক বিভাগে তদন্ত চলাই আছে আৰু বৰ্তমানলৈ এই সন্দৰ্ভত কোনো প্ৰতিবেদন দাখিল কৰা নাই। সেয়েহে এই সৰ্ম্পকে কোৱাটো সমিচীন নহয়।

(খ) উপৰত উল্লেখিত (ক) প্ৰশ্নৰ উত্তৰ প্ৰযোজ্য।

(গ) এই সম্পৰ্কত তদাৰক আৰু দুৰ্নীতি নিবাৰক বিভাগৰ দ্বাৰা তদন্ত চলাই থকা হৈছে।

(ঘ) উপৰত উল্লেখিত (গ) প্ৰশ্নৰ উত্তৰ প্ৰযোজ্য।